**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-07-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌহাৰ্দ্যপূৰ্ণ সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰধানমন্ত্ৰীৰ সৈতে ৰাজ্যৰ বিভিন্ন খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ বাবে ৰাজ্যবাসীয়ে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ ৰাজ্যখনৰ উন্নয়নমুখী যাত্ৰাৰ আন এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে।

ড০ শৰ্মাই ইয়াৰ পাছত নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰে। তেওঁ গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্যসূচীলৈ বিত্তমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে বীৰাঙ্গনা কনকলতা বৰুৱালৈ উৎসৰ্গিত এই উচ্চ শিক্ষানুষ্ঠানখন সম্পূৰ্ণ ৰূপে উদ্যোগমুখী শৈক্ষিক দৃষ্টিভঙ্গীক লৈ নিৰ্মাণ কৰা হৈছে। এই বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং আৰু ৰবটিক্সৰ দৰে বিশেষ পাঠ্যক্ৰম থাকিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতেও ফলপ্ৰসূ বৈঠকত মিলিত হয়। তেওঁ অসমৰ খনিজ সম্পদৰ সম্ভাৱনাময় ক্ষেত্ৰখনৰ বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। বৈঠকত মাৰ্ঘেৰিটাত ক'ল ইণ্ডিয়াৰ কাৰ্যসমূহ অধিক উৎপাদনক্ষম কৰি তোলাৰ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়।

০০০০

দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী, লেখক, দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা সেৱাৰ বাবে দেশভক্ত উপাধিৰে বিভূষিত ফুকনে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনত ওতপ্ৰোতভাৱে জড়িত আছিল। অসম চৰকাৰৰ উদ্যোগত আজি এই মহান নেতা গৰাকীৰ পূণ্য তিথি **দেশভক্তি দিৱস** হিচাপে পালন কৰা হৈছে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ জনতা ভৱনত দেশভক্তি দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ফুকনৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া ভাষণত বহুমুখী প্ৰতিভাৰ অধিকাৰী নেতাগৰাকীৰ জীৱন পৰিক্ৰমা সোঁৱৰণ কৰে। তথ্য আৰু জনসংযোগ মন্ত্ৰী পিযুষ হাজৰিকাই এই অনুষ্ঠানত তৰুণৰাম ফুকনক স্মৰণ কৰি তেওঁৰ জীৱন সম্পৰ্কে আলোকপাত কৰে। আজিৰ অনুষ্ঠানতে দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত অনুষ্ঠিত দেশভক্তি কুইজ প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কৃত কৰা হয়। এই প্ৰতিযোগিতাত ৰাজ্যৰ লগতে কেৰালা, দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ২০০ গৰাকী প্ৰতিযোগীৰে গঠিত মুঠ ৩৪৮ টা দলে অংশ লৈছিল। প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত লিখিত পৰীক্ষাৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাচনি কৰা হয়।

বজালী জিলাতো দেশভক্তি দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে অংশ লৈ দিয়া ভাষণত নতুন প্ৰজন্মক ফুকনৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। তামুলপুৰ জিলাতো আজি দেশভক্তি দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ লগতে জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজি আমিনগাওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত দেশভক্তি দিৱস পালন কৰা হয়। অনুষ্ঠানত আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সন্থা অৰ্থাৎ এবিলেকৰ সহযোগী অধ্যাপক ড° ভাস্কৰ শৰ্মাই স্বাধীনতা আন্দোলনত ফুকনে কিদৰে নেতৃত্ব বহন কৰিছিল সেই বিষয়ে  উল্লেখ কৰে। বৰপেটাত জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত জিলাখনৰ আইন মহাবিদ্যালয়ত আজি এই দিৱস পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই তৰুণৰাম ফুকনৰ দেশপ্ৰেম সন্দৰ্ভত বক্তৃতা আগবঢ়ায়।

০০০০

বিশ্ব হেপাটাইটিছ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত এই দিৱস উপলক্ষে আজি চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ মাজত এখনী আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনা কালত আজিৰে পৰা ৫ আগষ্টলৈ জিলাখনৰ প্ৰতিটো স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসাৰ বাবে অহা ৰোগীসকলক হেপাটাইটিছ ৰোগৰ পৰীক্ষা কৰাৰ লগতে তেওঁলোকৰ মাজত এই ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। জিলাখনত বৰ্তমানলৈকে চাৰিগৰাকী হেপাটাইটিছ ৰোগীক চিনাক্ত কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ সাতগাঁৱৰ নগৰীয়া ৰাজ্যিক চিকিৎসালয়ত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত মুখ্য অতিথি হিচাপে অংশ লৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণন এছে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে।

বজালী জিলাত এই দিৱস উপলক্ষে মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত অংশ লৈ মহকুমা স্বাস্থ্য বিষয়া ডাঃ চক্ৰমাণি শৰ্মাই কয় যে হেপাটাইটিছ বি আৰু চিত আক্ৰান্ত ৰোগীয়ে শংকিত হোৱাৰ পৰিৱৰ্তে সতৰ্কতা আৰু সাৱধানতা অৱলম্বন কৰিলে এই ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ